**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-07-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি বাক্সাৰ জালাহত বিজেপিৰ কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ।
২। গুৱাহাটী উচ্চ ন্যায়ালয়ত চাৰিগৰাকী নতুন ন্যায়াধীশ নিযুক্তিৰ প্ৰস্তাৱত উচ্চতম ন্যায়ালয়ৰ অনুমোদন।
৩। বৰপেটা, বটদ্ৰৱা থান আৰু মাজুলীত ভূমিৰ ক্ৰয়-বিক্ৰয়ক লৈ ৰাজ্য চৰকাৰৰ সংশোধনী নিৰ্দেশনা জাৰি।
৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি। এইপৰ্যন্ত ১৭৮ জন এই ৰোগত আক্ৰান্ত। **আৰু**
৫। এজবেষ্টন ক্ৰিকেট টেষ্টত ভাৰত তুলনামূলকভাৱে শক্তিশালী স্থিতিত উপনীত।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বাক্সাৰ জালাহত বিজেপিৰ কাৰ্যকৰ্তা সন্মিলনত ভাগ ল'ব। মুখ্যমন্ত্ৰীগৰাকীৰ বাক্সা ভ্ৰমণৰ পূৰ্বে কালি সন্ধিয়া ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ সৈতে সভাস্থলী পৰিদৰ্শন কৰি যাৱতীয় প্ৰস্তুতিৰ বুজ লয়।

ড০ শৰ্মাই কালি তামুলপুৰ জিলাত ৰাজ্য চৰকাৰৰ কল্যাণকামী আঁচনিসমূহৰ ৰূপায়ণ আৰু অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে এই আঁচনিসমূহৰ বৰ্তমানৰ স্থিতি, হিতাধিকাৰীৰ সংখ্যা আৰু তৃণমূল পৰ্যায়ত ইয়াৰ প্ৰভাৱৰ পৰ্যালোচনা কৰে। ইয়াৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিটিআৰ অঞ্চলৰ সকলো জাতি-জনগোষ্ঠীৰ লোকে এই আঁচনিসমূহৰ জৰিয়তে যাতে উপকৃত হ'ব পাৰে, এই বিষয়টো তেওঁ নিশ্চিত কৰিছে। ড০ শৰ্মাই কালি তামুলপুৰত বিজেপিৰ নতুন জিলা কাৰ্যালয় উদ্বোধন কৰে। তেওঁ ডং বান্ধ সমিতিৰ প্ৰতিনিধিবৰ্গৰ সৈতে এখন বৈঠকত মিলিত হৈ তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণৰ আশ্বাস দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে জিলাখনৰ কেইবাটাও দল-সংগঠনৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ সমস্যাৰ বুজ লয়।

০০০০০০

উচ্চতম ন্যায়ালয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ত চাৰিগৰাকী নতুন ন্যায়াধীশ নিযুক্তিৰ প্ৰস্তাৱত অনুমোদন জনাইছে। উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামৰ যোৱা ১ জুলাইত অনুষ্ঠিত বৈঠকত জ্যেষ্ঠ অধিবক্তা অঞ্জন কলিতা আৰু ৰাজেশ মজুমদাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰূপে নিযুক্তিত অনুমোদন জনায়। কলেজিয়ামে অসম ন্যায়িক সেৱাৰ জ্যেষ্ঠ বিষয়া প্ৰাঞ্জল দাস আৰু সঞ্জীৱ শৰ্মাকো গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰূপে নিযুক্তিত অনুমোদন জনায়। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে এই চাৰিগৰাকী ব্যক্তিৰ নিযুক্তিৰ ক্ষেত্ৰত আনুষ্ঠানিকভাৱে অধিসূচনা জাৰি কৰিলে তেওঁলোকৰ নিযুক্তি কাৰ্যকৰী হ'ব।

০০০০০০

অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে বৰপেটা চহৰ, বটদ্ৰৱা থানৰ পাঁচ কিলোমিটাৰ ব্যাসাৰ্ধ আৰু মাজুলী জিলাত ভূমিৰ ক্ৰয়-বিক্ৰয়ক লৈ সংশোধনী নিৰ্দেশনা জাৰি কৰিছে। এই সংশোধনী অনুসৰি এইসমূহ অঞ্চলত ভূমিৰ ক্ৰয়-বিক্ৰয় সম্পূৰ্ণ নিষিদ্ধ হৈ থকাৰ বিপৰীতে বৰ্তমান উত্তৰাধিকাৰৰ আধাৰত নামজাৰি কৰিব পাৰিব। ক্ৰেতা-বিক্ৰেতা যদি সেই অঞ্চলৰ প্ৰকৃত বাসিন্দা হয়, তেতিয়া পঞ্জীয়ন দলিলৰ জৰিয়তে নামজাৰি কৰিব পাৰিব। প্ৰকৃত বাসিন্দা হ'বলৈ ক্ৰেতা-বিক্ৰেতা দুয়োটা পক্ষৰ পৰিয়াল সেই অঞ্চলত ন্যূনতম তিনিটা প্ৰজন্ম বাস কৰা হ'ব লাগিব। এটা প্ৰজন্মৰ সময়সীমা ২৫ বছৰ ধাৰ্য কৰা হৈছে। উল্লেখযোগ্য যে, খিলঞ্জীয়া তথা স্থানীয় লোকৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ যুক্তিৰে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে পূৰ্বৰ সিদ্ধান্তত এই সংশোধনীৰ নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাৰ বাতৰি পোৱা গৈছে। ইতিমধ্যে কেইবাজনো লোক এনকেফেলাইটিছত আক্ৰান্ত হৈ মৃত্যু হৈছে। স্বাস্থ্য বিভাগে প্ৰকাশ কৰা মতে ৰাজ্যত এইপৰ্যন্ত ১৭৮ জনৰ দেহত জাপানীজ এনকেফেলাইটিছৰ সংক্ৰমণ ধৰা পৰিছে। কামৰূপ আৰু নলবাৰী জিলাত ১৬ জনকৈ লোক এই ৰোগত আক্ৰান্ত হৈছে। একেদৰে কামৰূপ মহানগৰত ১২, নগাঁৱত ১১, বৰপেটা আৰু দৰঙত ১৪ জনকৈ, যোৰহাট আৰু শিৱসাগৰত ১০ জনকৈ, চৰাইদেউ, ধেমাজি, মৰিগাঁও আৰু গোৱালপাৰাত ৫ জনকৈ,  বজালী, বঙাইগাঁও, ধুবুৰী, গোলাঘাট, পূব কাৰ্বি আংলং আৰু লখিমপুৰত ৪ জনকৈ লোক এই ৰোগত আক্ৰান্ত হৈছে। কামৰূপ জিলাত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱৰ সন্দৰ্ভত এয়া আমাৰ জিলাখনৰ সংবাদদাতা কৌশিক দাস—-

**ভইচ (কৌশিক দাস)**

যোৰহাট জিলাত জাপানীজ এনকেফেলাইটিছত এজন ১৭ বছৰীয়া কিশোৰৰ মৃত্যু হৈছে। বৰ্তমানলৈকে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত এনকেফেলাইটিছত আক্ৰান্ত হৈ দুজন লোকৰ মৃত্যু হোৱা বুলি আমাৰ যোৰহাটৰ সংবাদদাতাই জনাইছে। বৰ্তমান এটি দুবছৰীয়া শিশুসহ কেইবাজনো সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে।

জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ মাজুলীত এটি শিশুৰ মৃত্যু হৈছে। জিলাখনত এইপৰ্যন্ত ছজন লোক এই ৰোগত আক্ৰান্ত হৈছে। ইপিনে মাজুলীৰ ১১ খন গাঁৱত জাপানীজ এনকেফেলাইটিছৰ লগতে ডেংগু আৰু মেলেৰীয়াৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাত জিলা স্বাস্থ্য বিভাগে ১২ হাজাৰৰো অধিক লোকৰ তেজৰ নমুনা সংগ্ৰহ কৰিছে।

০০০০০০

কৃষি মন্ত্ৰী অতুল বৰাই কালি বিভিন্ন জিলাৰ জিলা কৃষি বিষয়া, কৃষি বিভাগৰ কাৰ্যবাহী অভিযন্তা আৰু মহকুমাৰ কৃষি বিষয়াসকলৰ সৈতে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে এখন পৰ্যালোচনা বৈঠকত অংশ লয়। বৈঠকত বিভিন্ন জিলাৰ কৃষি বিভাগে আগবঢ়োৱা অনুজ্ঞাপত্ৰৰ জৰিয়তে ব্যৱসায় কৰি থকা বীজ ভাণ্ডাৰ, ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্যৰ ব্যৱসায়ীসকলক উপযুক্ত প্ৰশিক্ষণেৰে প্ৰশিক্ষিত কৰি তোলাৰ বাবে কৃষি মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক পৰামৰ্শ আগবঢ়ায়। তেওঁ লগতে এনে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ নিয়মীয়াকৈ পৰিদৰ্শন কৰিবলৈ জিলা কৃষি বিষয়াসকলক নিৰ্দেশ দিয়ে। শ্ৰীবৰাই লগতে নাবাৰ্ডৰ অৰ্থ সাহায্যত কৃষি বিভাগে বিভিন্ন জিলাত আৰ আই ডি এফ আঁচনিৰ অধীনত নিৰ্মাণ কৰি থকা জ্ঞানকেন্দ্ৰসমূহৰ কামৰ অগ্ৰগতিৰো বুজ লয়।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত বি বি চিৰ নতুন দিল্লীস্থিত সম্পাদনা মেজৰ সাংবাদিক শচীন গগৈৰ সৈতে এটা মুকলি বাৰ্তালাপ প্ৰচাৰ কৰিব। শ্ৰী গগৈৰ সৈতে এই অন্তৰংগ বাৰ্তালাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক শাখাৰ এটা দলে উৎকোচ লোৱাৰ অভিযোগত কালি চৰাইদেউ জিলাৰ আবকাৰী বিভাগৰ এগৰাকী বিষয়া আৰু এজন কনিষ্টবলক আটক কৰে। আমাৰ চৰাইদেউ জিলাৰ সংবাদদাতাই জনোৱা মতে জিলাখনৰ আবকাৰী বিভাগৰ উপ-অধীক্ষক প্ৰশান্ত কুমাৰ গগৈ আৰু কনিষ্টবল বিশ্বজিৎ গগৈয়ে সোণাৰিৰ অসম-অৰুণাচল সীমান্তৰ কানুবাৰী এলেকাত বিলাতী সুৰা বিপণীৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ বাবদ উৎকোচ লৈছিল। দুৰ্নীতি নিবাৰক শাখাৰ উপ-আৰক্ষী অধীক্ষক নেত্ৰ কমল শইকীয়াৰ নেতৃত্বত গুৱাহাটীৰ পৰা অহা দলটোৱে আবকাৰী বিষয়া আৰু কনিষ্টবলজনক হাতে-লোটে ধৰা পেলায়।

০০০০০০

ধেমাজি জিলাৰ ডিমৌত কালি দুৰ্বৃত্তই এগৰাকী কৰ্তব্যৰত সাংবাদিকক আক্ৰমণ কৰাত তেওঁ আহত হয়। আমাৰ ধেমাজিৰ সংবাদদাতাই জনোৱা মতে মাধুৰ্য্য শইকীয়া নামৰ এটা বৈদ্যুতিন চেনেলৰ সাংবাদিকগৰাকী চিমেন-চিচি টঙানি উন্নয়ন খণ্ডৰ অন্তৰ্গত ডিমৌ পঞ্চায়তৰ সভাপতি নিৰ্বাচন সম্পৰ্কীয় বাতৰি সংগ্ৰহৰ বাবে সেই স্থানত উপস্থিত হোৱাৰ সময়ত ২৫-৩০ জনীয়া দুৰ্বৃত্তৰ দলে লাঠি-জোং লৈ সাংবাদিকগৰাকীক আক্ৰমণ কৰে। সাংবাদিকগৰাকী অৱশ্যে এই আক্ৰমণৰ পৰা প্ৰাণ লৈ পলাবলৈ সমৰ্থ হয়। এই সন্দৰ্ভত চিলাপথাৰ আৰক্ষী থানাত সাংবাদিক শইকীয়াই ইতিমধ্যে এজাহাৰ দাখিল কৰিছে। এই সন্দৰ্ভত আমাৰ ধেমাজিৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মাই এইদৰে কয়-

*(বাইট ঃ হৰেন্দ্ৰ নাথ শৰ্মা)*

০০০০০০

ৰাষ্ট্ৰপতিৰ শাসনত থকা মণিপুৰ চৰকাৰে ৰাজ্যখনৰ থকা প্ৰায় ৩৫০টা আশ্ৰয় শিবিৰ বন্ধ কৰি দিয়াৰ কথা বিবেচনা কৰিছে। ৰাজ্যখনৰ মুখ্য সচিব পি কে সিঙে কালি ইম্ফলত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে ২০২৩ চনৰ পৰা ৰাজ্যখনত সংঘটিত গোষ্ঠীগত সংঘৰ্ষত গৃহহীন হোৱা লোকসকলৰ বাবে স্থাপন কৰা এই আশ্ৰয় শিবিৰসমূহত থকা লোকসকলক এই মাহৰ পৰাই তিনিটা পৰ্যায়ত বিকল্প স্থানত সংস্থাপিত কৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছে। তেওঁ কয়, যে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ সৈতে কৰা কেইবালানিও আলোচনাৰ অন্তত আশ্ৰয় শিবিৰসমূহ পৰ্যায়ক্ৰমে বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। আশ্ৰয় শিবিৰত থকা লোকৰ সংখ্যা ৬২ হাজাৰৰ পৰা ৫৭ হাজাৰলৈ হ্ৰাস পাইছে বুলি শ্ৰীসিঙে জানিবলৈ দিয়ে। চূড়াচান্দপুৰ, কাংপক্‌পি জিলাত থকা প্ৰায় ৮ হাজাৰ শৰণাৰ্থীসকলক প্ৰথম পৰ্যায়ত এই মাহৰ ভিতৰতে স্বগৃহলৈ ঘূৰাই পঠিওৱা হ'ব। প্ৰতিটো পৰিয়ালকে নিজ নিজ বাসগৃহ পুনৰ নিৰ্মাণৰ বাবে চৰকাৰে ৩ লাখ টকাকৈ আগবঢ়াব বুলিও মুখ্য সচিবগৰাকীয়ে প্ৰকাশ কৰে।

ইপিনে নিৰাপত্তা বাহিনীয়ে যোৱা ৩ জুলাইৰ নিশাৰ পৰা ৪ জুলাইৰ পুৱালৈকে মণিপুৰৰ বিভিন্ন স্থানত অভিযান চলাই বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰে। মণিপুৰ আৰক্ষী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী,

আছাম ৰাইফলছ আৰু সেনাবাহিনীয়ে টেন'পাল, কাংপক্‌পি, চাণ্ডেল আৰু চুড়াচান্দপুৰ জিলাত অভিযান চলাই ২০৩টা বিভিন্ন প্ৰকাৰৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰে। ইয়াৰে ভিতৰত ২১টা ইনচাছ ৰাইফল, ১১টা এ কে শ্ৰেণীৰ ৰাইফল, ২৬টা এছ্‌ এল আৰ, ২টা স্নাইপাৰ ৰাইফল, ১৭টা পইণ্ট থ্ৰী নট থ্ৰী ৰাইফল, দুটা ৫১ মিলিমিটাৰ মৰ্টাৰ আৰু ৩০টা আই ই ডিও আছে।

০০০০০০

উত্তৰ গুৱাহাটীৰ প্ৰায় ৩০০ বছৰ পুৰণি ঐতিহ্যমণ্ডিত ৰুদ্ৰেশ্বৰ দেৱালয় পুনৰ মুকলি কৰাৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্য চৰকাৰৰ প্ৰত্নতাত্বিক বিভাগে সম্পূৰ্ণ পৌৰাণিক পদ্ধতিৰে অভিজ্ঞ শ্ৰমিকৰ সহায়ত এই দেৱালয়ৰ পুনৰ নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। দেৱালয়ৰ নিৰ্মাণত চূণ, ইটাগুড়ি, বালি, বেল, গুঁৰ, শিলিখা, মাটিমাহ আৰু মিঠিগুটি ব্যৱহাৰ কৰা হৈছে। উল্লেখযোগ্য যে ১৭৪৯ চনত স্বৰ্গদেউ প্ৰমত্ত সিংহই নিৰ্মাণ কৰা ৰুদ্ৰেশ্বৰ দেৱালয় আৰু ইয়াৰ গৰ্ভগৃহৰ সুৰংগ পথ কালক্ৰমত জাহ যায়। এই দেৱালয়ৰ পুনৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠিলে ই দেশৰ ভিতৰতে অন্যতম পৰ্যটনৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিব বুলি ৰাজ্যিক প্ৰত্নতাত্বিক বিভাগৰ অভিযন্তা অজিত কুমাৰ বৰাই আশা প্ৰকাশ কৰে।

০০০০০০

এজবেষ্টন টেষ্টৰ তৃতীয় দিনৰ সামৰণিত ভাৰত তুলনামূলকভাৱে শক্তিশালী স্থিতিত উপনীত হৈছে। এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ বাবে অনুষ্ঠিত টেষ্ট মেচখনৰ কালি তৃতীয় দিনা ইংলেণ্ডে প্ৰথম ইনিংছত ৪০৭ ৰানত আটাইকেইটা উইকেট হেৰুওৱাত আলহী দলটোৱে প্ৰথম ইনিংছত ১৮০ ৰানৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰে। ভাৰতে দ্বিতীয় ইনিংছ আৰম্ভ কৰি দিনান্তত এক উইকেটৰ বিনিময়ত ৬৪ ৰান সংগ্ৰহ কৰে। খেলখনৰ দুটা দিন বাকী থকা অৱস্থাত দ্বিতীয় ইনিংছৰ ৯টা উইকেট বাকী থকা অৱস্থাত ভাৰত সামগ্ৰিকভাৱে ইংলেণ্ডতকৈ ২৪৪ ৰানত আগবাঢ়ি আছে। ইংলেণ্ডৰ প্ৰথম ইনিংছত দলটোৰ উইকেট ৰক্ষক জেমি স্মিথ আৰু হেৰি ব্ৰুকছৰ যুটীয়ে ষষ্ঠ উইকেটৰ যুটীত অভিলেখ সংখ্যক ৩০৩ ৰান যোগ দি দলটোক ফ'ল' অনৰ পৰা ৰক্ষা কৰে। স্মিথে অপৰাজিত ১৮৪ ৰান সংগ্ৰহ কৰে। হেৰি ব্ৰুকছ ১৫৮ ৰানত আউট হয়। ভাৰতৰ হৈ মহম্মদ ছিৰাজে ৬টা আৰু আকাশদীপে ৪টা উইকেট দখল কৰে। দ্বিতীয় ইনিংছত ভাৰতে য়সশ্বী জয়ছোৱালৰ উইকেট হেৰুৱাইছে। কে এল ৰাহুলে ২৮ ৰান আৰু কৰুণ নায়াৰে ৭ ৰান কৰি বেট ধৰি আছে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশতি বাতৰি কাকতসমূহে ভিন ভিন বাতৰি মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে বহু প্ৰত্যাশিত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ পৰা বিদ্যুৎ উৎপাদন অধিক বিলম্ব হোৱাৰ আশংকাৰ বিষয়ে এটা বাতৰি আলোকচিত্ৰসহ শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে। যোৱা ২০ জুনত ৰাষ্ট্ৰীয় নদীবান্ধ নিৰাপত্তা কৰ্তৃপক্ষই কৰা পৰিদৰ্শনৰ পাছত এই প্ৰকল্পটোৰ উৎপাদন কাৰ্য কমেও ছমাহলৈ পিছুৱাই দিয়াটো নিশ্চিত হয় বুলি কাকতখনে বাতৰি প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পাঁচ দেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত তেওঁক ত্ৰিনিদাদ আৰু টবেগ'ৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদানৰ বাতৰিটোক অসমীয়া প্ৰতিদিন, দৈনিক অগ্ৰদূত, দৈনিক জনমভূমি আৰু নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

মণিপুৰত নিৰাপত্তাবাহিনীৰ অভিযানত বৃহৎ সংখ্যক অস্ত্র-শস্ত্র উদ্ধাৰ হোৱা বাতৰিটোক দ্যা টাইমছ অব্ ইণ্ডিয়া, আমাৰ অসম আৰু নিয়মীয়া বাৰ্তা কাকতে প্রথম পৃষ্ঠাত স্থান দিছে।

দৈনিক অসম কাকতে অসমত মিছন অৰ্গেনিকৰ সপোন পূৰণ হ'বলৈ বহুদূৰ বাকী আছে বুলি এটা আছুতীয়া বাতৰি প্রথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে।

ৰাজ্যখনৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনিৰ পুতৌ লগা অৱস্থা সম্পৰ্কত দৈনিক জনমভূমি কাকতে আজি এটা বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে। বাতৰিটোত কাকতখনে সমগ্ৰ শিক্ষাৰ পৰিকল্পনা উপদেষ্টা পৰিষদৰ প্রতিবেদনৰ উদ্ধৃতি দি ৰাজ্যৰ প্ৰায় ডেৰ হাজাৰ স্কুলত ছোৱালীৰ বাবে শৌচাগাৰ নথকা আৰু প্রায় ৯ হাজাৰ বিদ্যালয়ত নিজস্ব খেলপথাৰ নথকা বুলি উল্লেখ কৰিছে।

অসমীয়া খবৰ কাকতে মুখ্যমন্ত্রীৰ পাঁচ দিনীয়া বি টি আৰ ভ্ৰমণৰ বাতৰিক সবিস্তাৰে প্রথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ভাৰতীয় জনতাপাৰ্টীৰ সভাপতিৰ বাবে দৌৰত হাৰিয়ানাৰ বিজেপি নেত্রী সুধা য়াদৱ, বিত্তমন্ত্রী নির্মলা সীতাৰমণ, দক্ষিণৰ দুগৰাকী শীৰ্ষ নেত্রী ডি পুৰণ্ডেশ্বৰী আৰু বানাতী শ্রীনিবাসন- এই চাৰিগৰাকী মহিলাই আগ্রহ প্ৰকাশ কৰা বুলি প্রথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

তিববতীয় ধৰ্মগুৰু দালাই লামাৰ উত্তৰসুৰী নিৰ্বাচনত ভাৰতে কোনো ভূমিকা গ্ৰহণ নকৰে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰই স্পষ্ট কৰি দিয়া বাতৰিটোক দি ছেণ্টিনেল, টাইমছ অব ইণ্ডিয়া আৰু দি আছাম ট্রিবিউন কাকতে প্রথম পৃষ্ঠাত স্থান দিছে। এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্রথম পৃষ্ঠাত এভুমুকি–

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্রা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সর্বনিম্ন তাপমাত্রা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্রই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্রদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্রিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্রৰ সূত্রই প্রকাশ কৰিছে।

০০০০০০

সমাপ্ত